بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْم   نَحْمَدُهٗ وَنُصَلِّي عَلٰى رَسُوْلِهِ الْكَرِيْم   وَعَلٰى عَبْدِهِ الْمَسِيْحِ الْمَوْعُوْد

# খোতবা জুমা

**ছৈয়েদেনা হুজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছীহ পঞ্চম (আইঃ) য়ে ২০১৭ চনৰ ১ ডিচেম্বৰত মছজিদত বায়তুল ফুতুহ লণ্ডনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

আজি অৰ্থাৎ ১২ ৰবিউল ৱালৰ দিনা যদি প্ৰকৃত আনন্দ উৎযাপন কৰিবলৈ আছে তেন্তে আঁহজৰত (ছাঃ) ৰ জীৱনাদৰ্শৰ ওপৰত আমল কৰি উদযাপন কৰিব পৰা যায়। য'ত ইবাদতৰ মান উন্নত হ'ব লাগিব, য'ত তৌহিদৰ ওপৰত পূৰ্ণ বিশ্বাসী হ'ব লাগিব আৰু উত্তম চৰিত্ৰৰ মান উন্নত হ'ব লাগিব।
আখাৰিন সকলৰ এই জমাতৰ সদস্য সকলৰ প্ৰধান কৰ্তব্য হ'ল যে আঁহজৰত (ছাঃ) ৰ জীৱণাদৰ্শৰ আনুগত্যৰ মাজেদি, যেনেকৈ চাহাবা সকলে সিহঁতৰ ইবাদতৰ মান উন্নত কৰিছিল, তেনেকৈ আমিও ইবাদতৰ মান উন্নত কৰিব লাগিব আৰু কেৱল দুনীয়াদাৰীত ডুবি থাকিব নালাগে।

তাশ্বাহুদ তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; ১২ ৰবিউলৱালৰ দিনটো সেই দিন যি দিনটোত পৃথিৱীত সেই কিৰণ আহিছে, যাক আল্লাহ তায়লা ছিৰাজুম মুনিৰ আখ্যা দিছে। যিজনে গোটেই বিশ্বক আধ্যাত্মিক পোহৰেৰে আলোকিত কৰিবলৈ আছিল আৰু কৰিছে। যিজনে পৃথিৱীত খোদা তায়লাৰ ৰাজত্ব প্ৰতিষ্ঠা কৰিবলৈ আছিল আৰু কৰিছে। যিজনে বিশ্বত শান্তি আৰু নিৰাপত্তা লৈ আনিবলৈ আছিল আৰু সেয়া আনিছে। যি জনক আল্লাহ তায়লা কৈছে যে وَمَآ اَرْسَلْنٰكَ اِلَّا رَحْمَةً لِّلْعٰلَمِيْنَ আৰু আমি তোমাক পৃথিৱীৰ বাবে ৰহমত স্বৰূপ প্ৰেৰণ কৰিছো যি কেৱল মানৱ জাতিৰ বাবে নহয় বৰং পশু-পক্ষী সকলোৰে বাবে ৰহমত স্বৰূপ। যিজন কেৱল মুছলমানৰ বাবে নহয় বৰং অমুছলিম সকলৰ বাবেও ৰহমত আছিল আৰু যাৰ প্ৰদত্ত শিক্ষা কিয়ামত পৰ্য্যন্ত প্ৰত্যেকৰ বাবে ৰহমত স্বৰূপ। তেখেত (ছাঃ) ৰ মান্যকাৰী সকলক আল্লাহ তায়লা কৈছে

لَقَدْ كَانَ لَكُمْ فِيْ رَسُوْلِ اللّٰهِ اُسْوَةٌ حَسَنَةٌ لِّمَنْ كَانَ يَرْجُوا اللّٰهَ وَالْيَوْمَ الْاٰخِرَ وَذَكَرَ اللّٰهَ كَثِيْرًا

অৰ্থাৎঃ- নিশ্চয় তোমালোকৰ বাবে আল্লাহ তায়লাৰ ৰছুল হ'ল নেক আদৰ্শ স্বৰূপ, প্ৰত্যেক সেইজন ব্যাক্তিৰ বাবে, যিয়ে আল্লাহ আৰু দিনে আখেৰাতৰ ওপৰত আশাবাদী। গতিকে এই সুন্দৰ জীৱনাদৰ্শৰ ওপৰত চলা অবিহনে মুছলমানে মুছলমান হ'ব নোৱাৰে। আমাৰ নবী (ছাঃ) য়ে আমাৰ বাবে তৌফিক প্ৰতিষ্ঠাৰ এক আদৰ্শ স্থাপন কৰি থৈ গৈছে। ইবাদত আৰু উত্তম চৰিত্ৰৰ আদৰ্শ দেখুৱাইছি। বান্দাৰ হক প্ৰদানৰ আদৰ্শ দেখুৱাই গৈছে। কিন্তু পৰিতাপৰ বিষয় এয়া যে আজি মুছলমানে তেখেত (ছাঃ) ক ভালপোৱাৰ দাবী কৰে কিন্তু আঁহজৰত (ছাঃ) য়ে দিয়া শিক্ষাৰ বিপৰিতে আমল কৰে। প্ৰয়ভাগ মুছলিম দেশবোৰত কলহ-বিবাদ বিৰাজমান হৈ আছে। পাকিস্থানে এই ভয়ত যাতে বিবাদে বিস্তাৰ লাভ কৰিব নোৱাৰে, কিছুমান চহৰত মোবাইল ফোনৰ ছাৰ্ভিচ্ বন্ধ কৰি দিছে। সকলো চুকে কোণে পুলিচ পহৰা থিয় কৰা হৈছে। কিয় এইবোৰ সেই নবী (ছাঃ) ৰ জন্ম উৎসৱ উদযাপনৰ পদ্ধতি হয়নে যে প্ৰত্যেকজন ভাল মানুহ ভয়ত ভীত হ'ব লাগে। আমাৰ প্ৰাণাধীকৰ নামত আহমদী সকলৰ বিৰুদ্ধে চিঞৰ-বাখৰ কৰা আৰু গালি শপনি পৰাটো নিত্য-নৈমিত্তিক কাৰ্য্য হৈ পৰিছে। বৰ্তমানে এই বিষয়ে তিব্ৰতা আৰু বাঢ়ি গৈ আছে। কেইদিন মান আগত পাকিস্থানৰ কেইখনমান চহৰ ঘেৰাও কৰিসাধাৰণ লোক সকলৰ অ-সুবিধাৰ সৃষ্টি কৰিছিল। ব্যৱসায় আদি বন্ধ হৈ পৰিছিল। বেমাৰীয়ে চিকিৎসালয় লৈ যাব পৰা নাছিল। স্কুল বন্ধ হৈ পৰিছিল। দোকান-পোহাৰ আদি বন্ধ কৰি দিয়া হৈছিল। যি সকল লোকৰ ঘৰত খাদ্য বস্তু নাছিল, সিহঁতে ল'ৰা-ছোৱালীৰ বাবে খাদ্য বস্তু আনিব পৰা নাছিল। এই সকলোবোৰ দুৰৱস্থা কিছুমান নামধাৰী উলামা সকলৰ ৰছুল প্ৰেমৰ মিছিল লগোৱাত ঘটিছিল। এই লোক সকলে নবুয়তৰ মৰ্যদাৰ নামত বাট পথ বন্ধ কৰি লোকক কষ্ট দিছিল। কিন্তু আঁহজৰত (ছাঃ) ৰ শিক্ষা আৰু জীৱণাদৰ্শৰ সৈতে এইবোৰৰ দুৰতম সম্পৰ্ক নাই। এওঁলোকে যি বিচাৰে কৰি থাকক কিন্তু আমি আহমদী সকলৰ কাম হ'ল আঁহজৰত (ছাঃ)

ৰ জীৱণাদৰ্শৰ সকলো দিশৰ ওপৰত আমল কৰা।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; এতিয়া মই আঁহজৰত (ছাঃ) ৰ জীৱণ চৰিত্ৰৰ পৰা কেইটা মান কথা বৰ্ণনাবলৈ লৈছো। আল্লাহ তায়লাৰ সৈতে থকা তেখেত (ছাঃ) ৰ প্ৰেম সম্পৰ্কে হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে; ৰছুলুল্লাহ (ছাঃ) এক সত্ত্বাৰ প্ৰেমিক আৰু দিৱানা হৈছিল আৰু তাক পাইছিল, যি পৃথিৱীত কেতিয়াও কোনো জনে লাভ কৰিব পৰা নাই। আল্লাহ তায়লাৰ প্ৰতি তেখেত (ছাঃ) ৰএনেকুৱা মৰম চেনেহ আছিল যে সাধাৰণ লোক সকলেও কৈছিল عشق محمد علی ربہٗ অৰ্থাৎঃ- মহম্মদ (ছাঃ) তাৰ পালন কৰ্ত্তাৰ প্ৰেমিক হৈ গৈছে।

হজৰত মছিহ মাওউদ (আঃ) য়ে আৰু কৈছে যে যএতিয়া এই আয়াত নাযিল হৈছিল যে মুশ্বৰিক সকল বেয়া, লেতেৰা, মদাহী, মূৰ্খ আৰু চয়তানৰ বংশধৰ আৰু তেওঁলোকৰ মাবোদ (উপাস্য) জলন্ত অগ্নি আৰু ঠিকনা হ'ল জাহান্নাম। তেতিয়া আবু তালিব চাহাবে আঁহজৰত (ছাঃ) ক মাতি আনি কৈছিল যে, হে মোৰ ভতিজা এতিয়া তোক গালি শপনিত আমাৰ সম্প্ৰদায় অগ্নিশৰ্মণ হৈ পৰিছে আৰু সম্ভৱত তোক হত্যা কৰি পেলাব আৰু মোকও হত্যা কৰিব। তই সিহঁতৰ জ্ঞানী সকলক মুৰ্খ বুলিকৈছা আৰু বুজুৰ্গ সকলক অতি নিকৃষ্ট বুলি আৰু সন্মানীয় মাবোদ নাম হিজম, জাহান্নাম, আৰু জলন্ত অগ্নিকুণ্ড ৰাখিছ আৰু এই সকলোবোৰক বেয়া আৰু চয়তানৰ বংশধৰ আৰু বেয়া বুলি কৈছে। মই তোক ভালে ভালে কৈছো যে মূখন বন্ধ কৰ আৰু গালি গোলোজ কৰা এৰি দে নহলে মোৰ সম্প্ৰদায়ৰ সৈতে প্ৰতিদন্দ্বিতা কৰাৰ শক্তি নাই। আঁহজৰত (ছাঃ) য়ে উত্তৰ দিছিল– খুৱাদেউ এয়া গালি গোলোজ নহয় বৰং আচল কথাৰ বৰ্ণনা আৰু মানৱীয় প্ৰবৃত্তিৰ কাৰুকাৰ্য্যৰ হুবহুবৰ্ণনা আৰু এয়াই হ'ল কাম, যাৰ বাবে মোক পঠোৱা হৈছে। যদি এই কামৰ বাবে মোৰ মৃত্যুবৰণ কৰিব লাগে তেন্তে সেই মৃত্যু মই আনন্দৰে গ্ৰহন কৰি লম। মই মৃত্যুৰ ভয়ত সত্য প্ৰকাশ কৰাৰ পৰা আঁতৰিব নোৱাৰো। হে মোৰ খুৱাদেউ যদি আপোনাৰ দুৰ্বলতা আৰু দুঃখ কষ্টৰ প্ৰতি ভয় হয় তেন্তে মোক আশ্ৰয় দিয়াৰ পৰা আপুনি এফাল হৈ যাওঁক। আল্লাহ আছে মোক আপোনাৰ কোনো দৰকাৰ নাই। মই ইলাহি নিৰ্দেশ প্ৰচাৰত কেতিয়াও ক্ষ্যান্ত নহওঁ। মোৰ মওলাৰ আদেশ মোৰ প্ৰাণতকৈ প্ৰিয়। যদি মই এই বাটত মৃত্যু বৰণ কৰো তেন্তে বিচাৰো যে বাৰে-বাৰে জীৱিত হৈ সদায় এই বাটত মৃত্যুক বৰণ কৰি থাকো। এয়া ভয় কৰাৰ কাম নহয়, মোৰ ইয়াতে অসীম আনন্দ আছে যে মই এই বাটত দুঃখ-কষ্ট সহ্য কৰো। আঁহজৰত (ছাঃ) য়ে যেতিয়া এই কথাবোৰ কৈ আছিল তেখেত (ছাঃ) ৰ চেহেৰা সত্যৰ আলোকত উজ্জল হৈ ঐশ্বৰিক বেদনা এটা প্ৰদৰ্শিত হৈছিল। যেতিয়া আঁহজৰত (ছাঃ) য়ে কথা কোৱা বন্ধ কৰিছিল তেতিয়া সত্যৰ আলোক দেখা পাই আৰু তালিবে চকুলো টুকিছিল আৰু কৈছিল যে মই তোৰ এই চৰম উৎকৰ্ষতা সম্পৰ্কে নাজানিছিলো। তই আন এটা ৰঙত আৰু আন পদমৰ্যদাত অধিষ্ঠিত হৈছা। যা তই নিজৰ কাম চলাই যা। যেতিয়ালৈকে মই জীৱিত আছো আৰু যিমানদুৰ মোৰ শক্তি আছে, মই তোক সহায় কৰিম।

আঁহজৰত (ছাঃ) ৰ প্ৰেমত বিভোৰ হৈ হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে, মই সদায় আশ্চৰ্য মানিছো যে এই আৰবী নবী যাৰ নাম মহম্মদ (ছাঃ), হাজাৰ দৰূদ ও ছালাম তাৰ ওপৰত, এইজন কেনে উচ্চতম মৰ্যদাৰ নবী। তাৰ মৰ্যদাৰ শীৰ্ষতম ৰেখা অনুমান কৰিব নোৱাৰি আৰু তাৰ পৱিত্ৰ গুণাৱলীৰ অনুমান কৰা মানুহৰ সাধিত কাম নহয়। আফছোচ এয়া যে সত্য চিনিব পৰা গ'ল কিন্তু তেখেতৰ মৰ্যদা চিনিব পৰা নগল। সেই তৌহিদ যি জগতৰ পৰা বিলীন হৈ গৈছিল সেইজনেই এজন পালোৱান, যিজনে আকৌ সেয়া ধৰা ধামলৈ লৈ আনিছে। তেখেত খোদা তায়লাক সীমাহীন ভাল পাইছিল আৰু মানৱ সন্তানলৈ সহানুভূতিৰে প্ৰাণ উজাৰি দিছিল। সেয়ে খোদা তায়লা তেখেতৰ হৃদয়ৰ ভাৰ জানিবলৈ সকলো আম্বিয়া আৰু (আউয়াল ও আখিৰ) আদিৰ পৰা অন্তলৈ সকলোৰে ওপৰত ফজিলত দান কৰিছে। তেঁৱেই সকলো কল্যাণৰ মূল সুঁতি। যিজনে তেখেত (ছাঃ) ৰ ফজিলত অবিহনে ফজিলতৰ দাবী কৰে তেওঁ মানৱ নহয় বৰং তেওঁ চয়তানৰ হে বংশধৰ কাৰণ সকলো ধৰণৰ ফজিলতৰ চাবি-কাঠি তেখেত (ছাঃ) ক গতাই দিছে। যিজনে এইবোৰ তেখেতৰ জৰিয়তে লাভ কৰিব নোৱাৰে তেওঁ বঞ্চিত। আমি কি বস্তু আৰু আমাৰ মুলতে কি আছে। যদি আমি এই কথা স্বীকাৰ নকৰো যে প্ৰকৃত তৌহিদ আমি এই নবী (ছাঃ) ৰ জৰিয়তে পাইছো তেন্তে আমি এই নিয়ামতৰ অস্বীকাৰকাৰী হ'ব লাগিব। আমি নবী (ছাঃ) ৰ জৰিয়তে জীৱন্ত খোদাক চিনিব পাৰিছো আৰু খোদা তায়লাৰ কথা শুনিবলৈ আৰু দেখিবলৈ সুবিধা পাইছো। যাৰ হতুৱাই তাৰ ৰূপ আমি দেখিছো সেই জন হ'ল নবী (ছাঃ)। এই হিদায়েতৰ সূৰ্য্যৰ কাৰণ ৰদৰ দৰে আমাৰ ওপৰত পৰি আছে। আমি সেই সময় লৈকে পোহৰিত থাকিব পাৰিম যেতিয়া লৈকে আমি তাৰ

সন্মুখত থিয় দি থাকিম।

হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে মই দৃঢ়তাৰে কৈ আছো যে হয়তো এজন শত্ৰুয়ে হওঁক আৰু তেওঁ ইছাই অথবা আৰিয়াঁ হওঁক যদি তেওঁ আহঁজৰত (ছাঃ)ৰ যুগৰ আৰবৰ অৱস্থা দেখিলেহেঁতেন আৰু পিছত তাৰ পৰিবৰ্ত্তন লক্ষ্য কৰিলেহেঁতেন যি তেখেত (ছাঃ) ৰ শিক্ষাৰ জৰিয়তে ঘটিছিল তেন্তে একবাক্য তেখেত (ছাঃ) ৰ সত্যতাৰ সাক্ষী দিব লগা হলহেঁতেন । সেয়া কোৰ-আন কৰিমত সেই যুগৰ বিষয়ে এনেদৰে উল্লেখ আছে যে وَيَأْكُلُونَ كَمَا تَأْكُلُ الْأَنْعَامُ অৰ্থাৎ এনেদৰে খায় যেনেকৈ জন্তুয়ে খায়। আকৌ যেতিয়া আহঁজৰত (ছাঃ) ৰ পৱিত্ৰ আচৰণত সিহঁতৰ মাজত পৰিবৰ্ত্তনৰ জন্ম দিলে তেতিয়া তেওঁলোকৰ অৱস্থা হ'ল এনেকুৰা يَبِيتُونَ لِرَبِّهِمْ سُجَّدًا وَّقِيَامًا অৰ্থাৎ তেওঁলোকে নিজৰ পালন কৰ্ত্তাৰ সমীপত কিয়াম আৰু ছিজদা কৰি,কৰি ৰাতি পাৰ কৰিছিল।

হুজুৰ আনোৱাৰ (আঃ) য়ে কয় যে গতিকে আদিৰ সৈতে মিলিবলগীয়া শেষান্ত সকলৰ জমাতৰ সদস্য বৃন্দৰ প্ৰধান কৰ্ত্তব্য হ'ল যে আহঁজৰত (ছাঃ) ৰ জীৱনাদৰ্শৰ আনুগত্যৰ মাজেদি যেনেকৈ চাহাবা সকলে সিহঁতৰ ইবাদতৰ মান উন্নীত কৰিছিল,তেনেকৈ আমিও ইবাদতৰ মান উন্নীত কৰিব লাগিব আৰু কেৱল জাগতিকতাৰ মাজত ডুবি থাকিলে নচলিব। জেলি তনজিম আৰু নিজামে জমাতৰ ফালৰ পৰা ৰিপৰ্টি দিয়ে যে আমাৰ মাজত ৪০%, ৫০%, ৬০% লোক নমাজী হৈছে। কিন্তু আমি ১০০% নমাজী নোহোৱালৈকে বহি যোৱা উচিত নহয়। আমি প্ৰত্যেকেই ভাৱি চোৱা উচিত যে নিজে কেনে পৰিতিত আছো। আকৌ আহঁজৰত (ছাঃ) ৰ সততা আৰু সত্যতাৰ আদৰ্শ কেনেকুৰা আছিল,এই সম্পৰ্কে তেখেত (ছাঃ) ৰ প্ৰধান শত্ৰু নজৰ বিন হাৰিছৰ উক্তি শুনক। এবাৰ কোৰেশ ছৰদাৰ সকলৰ বৈঠকত আবু জাহিল আৰু নজৰ বিন হাৰিছ উপস্থিত আছিল। তেখেত (ছাঃ) ক সেই বৈঠকৰ কোনোবাই এজন মিছলীয়া যাদুকৰ বুলি প্ৰচাৰ কৰিবলৈ পৰামৰ্শ দিয়ে। তেতিয়া নজৰ বিন হাৰিছ থিয় হৈ কবলৈ আৰম্ভ কৰে যে হে কোৰেশ সকল ! এনেকুৰা এটা সমস্য তোমালোকৰ আগত আহিছে যাৰ সমিধানৰ উপায় তোমালোকে বিচাৰি পোৱা নাই। মহম্মদ (ছাঃ) তোমালোকৰ মাজৰে এজন ডেকা আছিল আৰু তোমালোকৰ আটাইতকৈ প্ৰিয় আছিল, আটাইতকৈ বেছি সত্যবাদী আছিল, তোমালোকৰ সকলোতকৈ বেছি আমানতদাৰ আছিল। এতিয়া তোমালোকে কৈছা যে তেওঁ যাদুকৰ । তাৰ মাজত যাদু বুলিবলৈ একো নাই, মই যাদুকৰ দেখিছো । তোমালোকে কৈছা তেওঁ জিনৰ আশ্ৰীত, মই জিনে ধৰা লোক দেখিছো, তেওঁ জিনে আশ্ৰ কৰা লোক নহয়, তোমালোকে কৈছা তেওঁ শায়েৰ , মই সকলো ধৰণৰ শায়েৰ সকলৰ বিষয়ে জানো, তেওঁ শায়েৰ নহয়। তোমালোকে কৈছা তেওঁ পাগল,তাৰ মাজত পাগলৰ কোনো চিন নাই। হে কুৰাইচ্ সকল ভালদৰে চিন্তা কৰি চোৱা, তোমালোকৰ আগত বহুত ডাঙৰ সমস্য এটা থিয় হৈছে।

আবু জাহিলও তেখেত (ছাঃ) সত্যবাদীতা কেতিয়াও অস্বীকাৰ কৰা নাই। তেওঁ কৈছে যে মই তোমাক মিছলীয়া নকও কিন্তু যি শিক্ষা তুমি লৈ আনিছা সেয়া ভুল। কাৰণ তুমি আমাৰ ভূত বিলাকৰ বিৰুদ্ধে কথা কৈছা। আবু ছুফিয়ান হাৰকিউলিছৰ ৰাজদৰবাৰত এয়া কৈছিল যে তেখেত (ছাঃ) কেতিয়াও মিছা মাতা নাই,সদায় সচাঁ কথা কবলৈ শিক্ষা দিছিল। গতিকে কোনো শত্ৰুয়েও তেখেত (ছাঃ) ক কেতিয়াও মিছলীয়া বুলি কব পৰা নাই আৰু এয়াই তেখেত (ছাঃ) ৰ নবুয়ত সত্য হোৱাৰ ডাঙৰ প্ৰমাণ। ইহুদী আলিম এজনে তেখেত (ছাঃ) ক দেখি কৈছিল যে এয়া কোনো মিছলীয়াৰ চেহেৰা হব নোৱাৰে ।

হুজুৰ আনোৱাৰ (আঃ) য়ে কয় যে তেখেত (ছাঃ) ৰ আৰ্দশৰ ওপৰত চলি আহমদী সকলে নিজৰ সত্যতাৰ মান উন্নত কৰিবলৈ সদায় চেষ্টা কৰা উচিত । যাতে ইছলামৰ মনোৰম শিক্ষা প্ৰচাৰ কৰাত সহজ হয়। কথা আৰু কাৰ্য্য একে হোৱাটো বাঞ্চনীয়। যদি আমলৰ সত্যতা নেথাকে তেন্তে লোকে ধৰ্মীয় শিক্ষাক মিছা বুলি ভাৱিব। খোদা তায়লাৰ সত্ত্বা হ'ল এটা সত্য। দ্বীন ইছলাম এটা সত্য। এই সত্যক প্ৰচাৰ কৰা আৰু সত্যৰ জৰিয়তে প্ৰচাৰ কৰা আমালোকৰ কাম।

হুযুৰ আনোৱাৰ (আইঃ) কয় যে গতিকে আজি অৰ্থাৎ ১২ ৰবিউল আউৱালৰ দিনা যদি প্ৰকৃত আনন্দ উৎযাপন কৰিবলৈ আছে তেন্তে আহঁযৰত (ছাঃ) ৰ জীৱনাদৰ্শৰ ওপৰত আমল কৰি উৎযাপন কৰিব পৰা যায়। য'ত ইবাদতৰ মান উন্নত হ'ব লাগিব, যত তৌহিদৰ ওপৰত পূৰ্ণ বিশ্বাসী হ'ব লাগিব, আৰু উত্তম চৰিত্ৰৰ মান উন্নত হ'ব লাগিব, যদি আমাৰ মাজত এইবোৰ নাথাকে তেন্তে আমাৰ আৰু বেলেগৰ মাজত কোনো পাৰ্থক্য নাথাকে। সেই লোকসকল , যি সকলে পথ ভ্ৰষ্ট হৈছে আৰু অস্থায়ী নেতা আৰু নাম ধাৰী উলামা সকলৰ নিদৰ্শত সাধাৰণ লোকৰ অসুবিধা সৃষ্টি কৰি আছে, তেওঁলোকৰ সৈতে আমাৰ কোনো পাৰ্থক্য

নাথাকিব যদি আমি আঁহজৰত (ছাঃ) আদৰ্শ অনুযায়ী আমল নকৰো। হজৰত মছিহ মাওউদ (আঃ) ৰ বয়াতৰ উদ্দেশ্য হ'ল এয়া যে সকলো কামত আমি যেন আঁহজৰত (ছাঃ) ৰ আদৰ্শ মানি চলো আল্লাহ তায়লা ইয়াৰ বাবে আমালোকক তৌফিক দান কৰক।খোতবা জুমাৰ শেষত হুযুৰ আনোৱাৰ (আইঃ) য়ে মকৰমা ছিছটাৰ ছালমা গনি চাহিবা অফ ফিলাডেলফিয়া (আমেৰিকা) ৰ নমাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে আৰু তাৰ পৱিত্ৰ জীৱণ চৰিতৰ চমু আভাশ দিয়ে । ইন্না লিল্লাহে ওয়া ইন্না ইলাইহি ৰাজিউন। (আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 1 December 2017**

**BOOK POST (PRINTED MATTER)**

**To**

------------------------------------------------------------------------
------------------------------------------------------------------------
------------------------------------------------------------------------
------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/N- IV, Bongaigaon Assam 783384. # 7086177737**